**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত বীৰ বাল দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত সন্ত্ৰাসবাদ প্ৰতিৰোধী সন্মিলন মুকলি কৰিব।

৩। সেনা বাহিনীয়ে সৈনিকসকলৰ বাবে সামাজিক মাধ্যমৰ ব্যৱহাৰ সন্দৰ্ভত এখন অভ্যন্তৰীণ পত্ৰ জাৰি কৰিছে।

৪। মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তঃৱৰ্তীকালীন চৰকাৰে দেশখনৰ অমুছলমান সম্প্ৰদায়ৰ লোকসকলৰ বিৰুদ্ধে অকথ্য আতিশায্য চলাইছে বুলি দেশখনৰ ক্ষমতাচ্যুত প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই প্ৰকাশ কৰিছে।

*আৰু*

৫। ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত বীৰ বাল দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰিব। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এইবেলি সাহসিকতা, ক্ৰীড়া আৰু সমাজ সেৱাৰ ক্ষেত্ৰত অসাধাৰণ সাফল্য অৰ্জন কৰা ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২০ টি শিশুক এই সন্মানৰ বাবে বাচনি কৰা হৈছে। মন্ত্ৰালয়ে লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বীৰ বাল দিৱসত ৰাষ্ট্ৰীয় পৰ্যায়ৰ অনুষ্ঠানত শিশু আৰু যুৱকসকলক উদ্দেশ্যি ভাষণ দিব বুলি জানিবলৈ দিছে। নতুন দিল্লীত আয়োজিত অনুষ্ঠানত সাহসিকতা, দৃঢ়তা আৰু নিঃস্বাৰ্থ  সেৱাৰ কাহিনীসমূহৰ বিষয়ে আলোকপাত কৰা হ'ব বুলি মন্ত্ৰালয়ে উল্লেখ কৰিছে। বীৰ বাল দিৱস উপলক্ষে দেশৰ চহকী ঐতিহ্য আৰু বীৰত্বৰ মনোভাব আধাৰিত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

শিখ ধৰ্মগুৰু গুৰু গোবিন্দ সিঙৰ পুত্ৰ বাবা জোৰাৱৰ সিং আৰু বাবা ফটেহ সিঙৰ সাহসিকতা আৰু বলিদানৰ সন্মানাৰ্থে বীৰ বাল দিৱস পালন কৰা হয়। অত্যাচাৰৰ বিৰুদ্ধে অসীম সাহসিকতাৰ প্ৰতীক হিচাপে আৰু কম বয়সত তেওঁলোকৰ বলিদান ভাৰতীয় ইতিহাসৰ কৰুণ অধ্যায়সমূহৰ অন্যতম। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনৰ জানুৱাৰীত গুৰু গোবিন্দ সিঙৰ প্ৰকাশ পৰ্বৰ সময়ত প্ৰতি বছৰে বীৰ বাল দিৱস পালন কৰাৰ কথা ঘোষণা কৰিছিল।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত সন্ত্ৰাসবাদ প্ৰতিৰোধী সন্মিলন মুকলি কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই সন্মিলনত ৰাষ্ট্ৰীয় সুৰক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰা হ'ব। সন্মিলনত

সন্ত্ৰাসবাদৰ বিভীষিকাৰ বিৰুদ্ধে সমন্বিত ব্যৱস্থা গ্ৰহণৰ বাবে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক মাধ্যম স্থাপন কৰি বিভিন্ন পক্ষৰ মাজত সমন্বয় গঢ়ি তোলাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০

ভাৰতীয় ৰে'লৱেই যাত্ৰীসকলৰ ব্যয়সাধ্যতা আৰু সেৱাৰ বহনক্ষমতাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ লক্ষ্যৰে আজিৰেপৰা কাৰ্যকৰী হোৱাকৈ যাত্ৰী ভাড়াৰ কিছু সংশোধন কৰিছে। সংশোধিত ভাড়াৰ গাঁথনিৰ অধীনত উপকণ্ঠীয় আৰু অন্যান্য দুয়োটা পথকে ধৰি উপকণ্ঠীয় সেৱা আৰু ছিজন টিকটৰ ভাড়াৰ কোনো পৰিৱৰ্তন কৰা হোৱা নাই। আজি বা আগলৈ বুকিং কৰা টিকটতহে এই সংশোধিত ভাড়া প্ৰযোজ্য হ'ব। অৱশ্যে, নতুন নিৰিখ প্ৰযোজ্য হোৱাৰ পূৰ্বে কটা (বুক কৰা) টিকটৰ যাত্ৰা পাছলৈ হ'লেও, সেইক্ষেত্ৰত সংশোধিত ভাড়া প্ৰযোজ্য নহ'ব।

সাধাৰণ অ-বাতানুকুল সেৱাৰ, দ্বিতীয় শ্ৰেণীৰ সাধাৰণ, শ্লীপাৰ শ্ৰেণীৰ সাধাৰণ আৰু প্ৰথম শ্ৰেণীৰ সাধাৰণ টিকটৰ ক্ষেত্ৰত ভাড়া যুক্তিসংগতভাৱে সালসলনি কৰা হৈছে।

সেই অনুসৰি, দ্বিতীয় শ্ৰেণীৰ সাধাৰণ যাত্ৰাত ২১৫ কিলোমিটাৰ পৰ্যন্ত ভাড়া বৃদ্ধি কৰা হোৱানাই যদিও ২১৬ কিলোমিটাৰৰ পৰা ৭৫০ কিলোমিটাৰলৈ দূৰত্বৰ বাবে পাঁচ টকাকৈ ভাড়া বৃদ্ধি কৰা হৈছে। ৭৫১ কিলোমিটাৰৰ পৰা ১২৫০ কিলোমিটাৰ দূৰত্বৰ বাবে ১০ টকা, ১২৫১ কিলোমিটাৰৰ পৰা ১৭৫০ কিলোমিটাৰৰ মাজৰ দূৰত্বৰ বাবে ১৫ টকা আৰু ১৭৫১ কিলোমিটাৰৰ পৰা ২২৫০ কিলোমিটাৰৰ মাজৰ দূৰত্বৰ বাবে ২০ টকাকৈ ভাড়া বৃদ্ধি পাইছে।

সাধাৰণ শ্লীপাৰ শ্ৰেণী আৰু সাধাৰণ প্ৰথম শ্ৰেণীৰ যাত্ৰাৰ বাবে প্ৰতি কিলোমিটাৰত ১ পইচা হাৰত ভাড়া সংশোধন কৰা হৈছে। মেইল আৰু এক্সপ্ৰেছ ৰে'লত বাতানুকুল আৰু অ-বাতানুকুল যাত্ৰাত প্ৰতি কিলোমিটাৰত দুপইচাকৈ ভাড়া বৃদ্ধি কৰা হৈছে। ইয়াৰ ভিতৰত শ্লীপাৰ, প্ৰথম শ্ৰেণী, এচি চেয়াৰ কাৰ, এচি ৩-টিয়াৰ, এচি ২-টিয়াৰ, আৰু এচি ফাৰ্ষ্ট ক্লাছ সন্নিৱিষ্ট আছে।

অনুমোদিত শ্ৰেণীভিত্তিক মৌলিক ভাড়া-বৃদ্ধিৰ সৈতে সংগতি ৰাখি তেজস ৰাজধানী, ৰাজধানী, শতাব্দী, দূৰন্ত, বন্দে ভাৰত, হামছফৰ, অমৃত ভাৰত, তেজস আদি প্ৰধান ৰেল

সেৱাৰ বৰ্তমানৰ মৌলিক ভাড়াৰো সংশোধন কৰা হৈছে। ৰে'ল মন্ত্ৰালয়ে জনোৱা মতে, সংৰক্ষণ মাচুল, ছুপাৰফাষ্ট অতিৰিক্ত মাচুল বা অন্যান্য আনুষংগিক মাচুলৰ ক্ষেত্ৰত কোনো পৰিৱৰ্তন কৰা হোৱা নাই আৰু সেইসমূহ বৰ্তমানৰ নিৰিখ অনুসৰিয়ে আৰোপ কৰা হ'ব। ইয়াত লগতে, জিএছটি প্ৰযোজ্যতা অপৰিৱৰ্তিত থাকিব বুলিও কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০

সেনা বাহিনীয়ে সৈনিকসকলৰ বাবে সামাজিক মাধ্যমৰ ব্যৱহাৰ সন্দৰ্ভত এখন অভ্যন্তৰীণ পত্ৰ জাৰি কৰিছে। পত্ৰখনত অভিযান বিষয়ক সুৰক্ষা আৰু দায়িত্বহীন অনলাইন আচৰণত গুৰুত্ব আৰোপ কৰা হৈছে। সেনাবাহিনীৰ সূত্ৰই প্ৰকাশ কৰা মতে সেনিকসকলক অকল চোৱা আৰু নিৰীক্ষণৰ বাবেহে ইনষ্টাগ্ৰাম ব্যৱহাৰৰ অনুমতি দিয়া হৈছে। ইনষ্টাগ্ৰামত কোনো ধৰণৰ মতামত প্ৰকাশ কৰা উচিত নহয় বুলি পত্ৰখনত স্পষ্ট কৰি দিয়া হৈছে। ইয়াৰ উপৰি সৈনিকসকলক স্কাইপ, হোৱাটছ্-এপ, টেলিগ্ৰাম আৰু ছিগনেলৰ লেখীয়া সামাজিক মাধ্যমৰ মঞ্চসমূহত সাধাৰণ আৰু অগোপনীয় তথ্য আদান-প্ৰদানৰে অনুমতি দিয়া হৈছে। এনে ধৰণৰ  যোগাযোগ অকল পৰিচিত ব্যক্তিলৈকেহে সীমাতি থকা উচিত আৰু তথ্য লাভ কৰা ব্যক্তিগৰাকীক সঠিকভাৱে চিনাক্ত কৰাটো ব্যৱহাৰকাৰীৰ দায়িত্ব হ'ব। পত্ৰখনত ইউটিউব, এক্স, ক্বোৰা আৰু ইনষ্টাগ্ৰামৰ দৰে মঞ্চসমূহৰ ক্ষেত্ৰত অকল তথ্য বা জ্ঞান লাভৰ বাবে নিষ্ক্ৰিয় অংশগ্ৰহণৰ অনুমতি প্ৰদান কৰা হৈছে। ব্যৱহাৰকাৰীয়ে প্ৰস্তুত কৰা বিষয়বস্তু, বাৰ্তা অথবা পোষ্ট আপলোড কৰাটো বাৰণ কৰা হৈছে। ইয়াৰ উপৰি ৰিজিউম আপলোড কৰা আৰু সম্ভাব্য নিয়োগকৰ্তা আৰু কৰ্মচাৰীৰ তথ্য লাভৰ বাবেহে লিংক্‌ডইনৰ ব্যৱহাৰ কৰিব পৰা যাব বুলি পত্ৰখনত উল্লেখ কৰা হৈছে।

০০০০০

মহম্মদ ইউনুছ নেতৃত্বাধীন অন্তঃৰৰ্তীকালীন চৰকাৰে দেশখনৰ অমুছলমান সম্প্ৰদায়ৰ লোকসকলৰ বিৰুদ্ধে অকথ্য আতিশায্য চলাইছে বুলি দেশখনৰ ক্ষমতাচ্যুত প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই প্ৰকাশ কৰিছে। আবামী লীগৰ ৭৮ বছৰীয়া নেতৃগৰাকীয়ে লগতে অবৈধভাৱে ক্ষমতা হস্তগত কৰা বৰ্তমানৰ শাসকিয় গোটটোৱে ধৰ্মীয় সংখ্যালঘূ সম্প্ৰদায়ৰ লোকক জীৱন্তে জ্বলাই দিয়াৰ দৰে লোমহৰ্ষক ঘটনা সংঘটিত কৰিছে। যোৱা সপ্তাহত বাংলাদেশত হিন্দু সম্প্ৰদায়ৰ এজন লোকক মৰিয়াই মৰিয়াই হত্যা কৰাৰ ঘটনাৰ বিষয়ে উল্লেখ কৰি ক্ষমতাচ্যুত প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। কালি খ্ৰীষ্টমাছ্ উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰীমতী হাছিনাই ইউনুছ চৰকাৰে জনসাধাৰণৰ ধৰ্মীয় স্বাধীনতাত হস্তক্ষেপ কৰা বুলি অভিযোগ তোলে। তেওঁ লগতে বাংলাদেশৰ জনসাধাৰণে এই কঠিন সময় আৰু বেছি দিনলৈ সহ্য নকৰে বুলি মন্তব্য কৰে। যোৱা বছৰ আগষ্টত হাছিনা চৰকাৰ ক্ষমতাচ্যুত হোৱাৰ পাছৰে পৰা বাংলাদেশত সংখ্যালঘূ সম্প্ৰদায়ৰ বিৰুদ্ধে সংঘটিত ঘটনাৰ পৰা হিন্দু সম্প্ৰদায়ৰ লোকসকল প্ৰভাবিত হৈছে।

০০০০০

ৰাষ্ট্ৰীয় সেউজন ন্যায়াধীকৰণে দিল্লীৰ একাংশ কাপোৰত ৰং দিয়া গোটে অবৈধভাৱে গভীৰ নলী-নাদ ব্যৱহাৰ কৰা সন্দৰ্ভত দুমাহৰ ভিতৰত চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিছে। নৰেলা, বাৱনা, মায়াপুৰী আৰু ল'ৰেন্স ৰোডত অৱস্থিত কেইবাটাও ৰং দিয়া গোটে বাধ্যতামূলক অনুমতি অবিহনে কামকাজ চলাই থকা বুলি দাখিল কৰা অভিযোগৰ শুনানি গ্ৰহণ কৰি সেউজ ন্যায়াধীকৰণে কালি এইদৰে ৰায় দিয়ে। ৰং দিয়া গোটসমূহে আগতীয়া

সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ নকৰাকৈ বিষাক্ত পদাৰ্শ নলা-নৰ্দমা আৰু মুকলি পথাৰত পেলোৱা আৰু ইয়াৰ ফলত ভূগৰ্ভৰ পানী প্ৰদূষিত তথা স্বাস্থ্য সম্পৰ্কীয় সমস্যা সৃষ্টি হোৱা বুলিও অভিযোগ উত্থাপিত হৈছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে বিগত ১১ বছৰত সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকৰ উন্নয়নৰ বাবে আৰু তেওঁলোকক প্ৰকৃত শাসন তথা ধৰ্মনিৰপেক্ষতাৰ নীতি অনুযায়ী কোনো ধৰণৰ বৈষম্য অবিহনে বিভিন্ন আঁচনিৰ লাভ প্ৰদানৰ বাবে কঠোৰ পৰিশ্ৰম কৰি আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী ভাৰত ৰত্নৰে বিভূষিত অটল বিহাৰী বাজপেয়ীৰ ১০১ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে কালি উত্তৰ প্ৰদেশৰ লক্ষ্নৌত ৰাষ্ট্ৰ প্ৰেৰণা স্থল উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰী আঁচনিসমূহৰ প্ৰসাৰেই বৰ্তমান চৰকাৰৰ মন্ত্ৰ আৰু সম্প্ৰতি কোটি কোটি লোকে এনে আঁচনিৰ উপকাৰ লাভ কৰিছে। জন্ম বাৰ্ষিকী উপলক্ষে অটল বিহাৰী বাজপেয়ীৰ কথা স্মৰণ কৰি শ্ৰী মোদীয়ে কয়, যে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীয়ে লোৱা পদক্ষেপসমূহে দেশৰ উন্নয়ন প্ৰেক্ষাপট সলনি কৰিছে। তেওঁ এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ বিষয়ে উল্লেখ কৰে আৰু বিগত ১১ বছৰত আঁচনিখনৰ অধীনত চাৰিলাখ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা বুলি জানিবলৈ দিয়ে।

তেওঁ ৰাষ্ট্ৰীয় নায়কসকলক যথোচিত সন্মান নিদিয়াৰ বাবে আৰু সকলো অনুষ্ঠান-প্ৰতিষ্ঠান দলীয় নেতাৰ নামেৰে নামকৰণ কৰাৰ বাবে কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। উত্তৰ প্ৰদেশৰ ভাবমূৰ্তি সলনি হোৱা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে সম্প্ৰতি ৰাজ্যখন উন্নয়নৰ আন এটা নাম হৈ পৰিছে। অনুষ্ঠানত প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিং, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ আৰু ৰাজ্যিক মন্ত্ৰীসভাৰ কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে। প্ৰতিৰক্ষা মন্ত্ৰী তথা লক্ষ্নৌৰ স্থানীয় সাংসদ ৰাজনাছ সিঙে তেওঁৰ ভাষণত কয়, যে অটল বিহাৰী বাজপেয়ীয়ে সংস্কৃতি, সমাজ আৰু  ৰাজনীতিৰ ক্ষেত্ৰলৈ অপাৰ অৱদান আগবঢ়াই থৈ গৈছে।

ooooo

ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ পাঁচখনীয়া T-20 শৃংখলাৰ তৃতীয়খন খেল আজি তিৰুৱনন্তপূৰমৰ গ্ৰীণফিল্ড ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাত আয়োজক ভাৰতে ইতিমধ্যে ২-০ৰ অগ্ৰগতি লাভ কৰিছে। ভাৰতে আলহী দলটোক প্ৰথমখন খেলত ৮ উইকেটত আৰু দ্বিতীয়খনত ৭ উইকেটত পৰাস্ত কৰিছিল।

ooooo

সমাপ্ত